# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-02-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱন আজিৰে পৰা কাৰ্য্যকৰী হৈছে। আজি টাৰ্মিনেল ভৱনটোৰে প্ৰথমবাৰৰ বাবে যাত্ৰা কৰা যাত্ৰীসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জনায়। আকাশ এয়াৰৰ এখন বিমান অৱতৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হৈছে। এই উপলক্ষে বৰঝাৰ বিমান বন্দৰত আয়োজিত এখন সভাত অংশ লৈ মুখ্যমন্ত্ৰী ডং শৰ্মাই কয়, যে অসমত বিমান পৰিবহণ সংক্ৰান্তীয় কাম-কাজৰ সৈতে দক্ষ যুৱ প্ৰজন্মক জড়িত কৰাৰ বাবে বিভিন্ন পৰিকল্পনা লোৱা হৈছে। উল্লেখযোগ্য যে সম্পূৰ্ণভাৱে স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। ইয়াৰ আগেয়ে অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য কালি সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰি ডং শৰ্মাই কয়, যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰক বিমানৰ মেৰামতি, চাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৰাক্‌ৰো ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে কপৌফুলৰ আৰ্হিত বাঁহেৰে নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৱে বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ স্থিতি সৱল কৰি তুলিব বুলি আশা কৰা হৈছে। এই টাৰ্মিনেল ভৱনটো নিৰ্মাণত প্ৰায় ১৪০ মেট্ৰিক টন বাঁহ ব্যৱহাৰ কৰা হৈছে। যোৱা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টাৰ্মিনেল ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমূল্য সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আজি আধাৰশিলা স্থাপন কৰা হয়। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই প্ৰকল্পৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ব্ৰিটিছ সংগ্ৰহালয়ৰ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়া শাখাৰ প্ৰাক্তন মুৰব্বী টি ৰিচাৰ্ড ব্লাৰ্টন আৰু প্ৰকল্প নিৰ্মাণৰ দায়িত্বত থকা সংস্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে অসমীয়া জাতীয় জীৱনৰ স্বাভিমানৰ প্ৰতীক এই বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাটো ৰাজ্য চৰকাৰৰ বাবে এটা ঐতিহাসিক পদক্ষেপ। প্ৰায় ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া সংগ্ৰহালয়টো পৰৱৰ্তী সময়ত ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই পৰিদৰ্শন কৰাৰ পাছত বৃন্দাবনী বস্ত্ৰ অসমলৈ আনিব পৰা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০০০০

ৰাজ্যৰ স্বাস্থ্য সেৱা খণ্ডৰ উন্নয়নৰ দিশত আন গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি ৮২ খন নতুন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ শুভাৰম্ভ কৰা হয়। ২৯ কোটি টকা ব্যয় সাপেক্ষ এই সেৱা আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হস্পিতাল প্ৰেক্ষাগৃহত স্বাস্থ্যমন্ত্ৰী অশোক সিংহালে শুভাৰম্ভ কৰে। এই নৱ-সংযোজনৰ জৰিয়তে ৪২খন অত্যাধুনিক জীৱনদায়িনী এম্বুলেন্স আৰু ৪০খন অত্যাৱশ্যকীয় জীৱনদায়িনী এম্বুলেন্সৰ সেৱা আৰম্ভ কৰা হৈছে।

০০০০০০

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯ টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫ টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯ টা আৰু উৰিয়ামঘাটৰ ১১ টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানী গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতক ছুপাৰ এইটৰ প্ৰথমখন খেলত জয়ৰ বাবে দক্ষিণ আফ্ৰিকাই ১৮৮ ৰাণৰ লক্ষ্য বান্ধি দিছে। ইয়াৰ আগেয়ে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৪ অভাৰত ২টা উইকেট হেৰুৱাই ২৬ ৰাণ সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ আন এখন খেলত আজি ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ